# THE GAUHATI HIGH COURT AT GUWAHATI

(The HighCourt of Assam, Nagaland, Mizoram and Arunachal Pradesh)

**Main Written Examination for direct recruitment to Grade-I of Assam Judicial Service**

Date : 20.12.2015(Sunday) Paper -IV(অসমীয়া) Time 1.00 P.M. to 3.00 P.M.

Total 50 marks Duration 2 hours

১) তলত উল্লিখিত যি কোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখকঃ ১০

(ক) ভাৰতীয় সংবিধানত ধৰ্ম নিৰপেক্ষতা।
(খ) বিদেশী ন্যায়াধীকৰণ আৰু ইয়াৰ কাৰ্যপ্ৰণালী।
(গ) চৰকাৰী ধনৰ অপচয় আৰু ভ্ৰষ্টাচাৰ।
(ঘ) অসমলৈ বিশেষ ৰাজ্যৰ মৰ্য্যাদা।

২) অসমীয়া ভাষাত প্ৰচলিত তলৰ শব্দবোৰ কোন ভাষাৰ পৰা অহা উল্লেখ কৰক (যি কোনো পাঁচটা) ঃ ৫

আদালত, বকচিচ, বন্দোৱস্ত, আচাৰ্য্য, ইজ্জত, ব্ৰহ্মা, কৰ্জ

৩) ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰকঃ ১০

The Constitution of India stands for a secular state. The state has no official religion. Secularism pervades its provisions which give full opportunity to all persons to profess, practice and propogate any religion of their choice. The Constitution not only guarantees a person's freedom of religion and conscience but also endures freedom for one who has no religion and it screpulously restrains the State from making any discrimination on grounds of religion. A single citizenship is assured to all persons irrespective of their religion.

৪) অসমীয়াৰ পৰা ইংৰাজীলৈ অনুবাদ কৰকঃ ১০

জৱাহৰলাল নেহৰুৱে কৈছিল, " এজন লৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।" নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত এই কথাষাৰি বিশেষ ভাৱে প্ৰযোজ্য। শিক্ষাই মনৰ অসত্য দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে। জগতৰ সৰ্বতোপ্ৰকাৰ মঙ্গলৰ বাবে নিজকে যোগ্যবান কৰি তোলাৰ এক মাত্ৰ মাধ্যম হ'ল শিক্ষা। সু-শিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উত্তীৰ্ণ কৰে। অন্ধৰ লাখুটি স্বৰূপ শিক্ষা সেয়ে পৰুষ-নাৰী নিৰ্বিশেষে সকলোৰে বাবে অতি প্ৰয়োজনীয়।

৫) অসমীয়া পৰিভাষা লিখক ঃ ৫

Conciliation, Supplementary grant, Cognizence, Code of Criminal Procedure, Returning Officer, Ad-hoc, Appendix

৬) তলত উল্লিখিত যি কোনো পাঁচটা শব্দৰ সমাৰ্থক শব্দ লিখক ঃ ৫

হ্ৰদ, বিপদ, অতীত, কটকী, নতুন, কুসুম, মাটি।

৭) তলত উল্লিখিত যি কোনো পাঁচটা শব্দসমষ্টি ব্যৱহাৰ কৰি বাক্যৰচনা কৰক ঃ ৫

ফেনে ফোটোকাৰে, সাত-পাঁচ, দাতে ওঠে নলগা, ভাতৰ ভতুৱা, পেট কুলি, ভৰি নচুৱাই থাক, বুকুৰে ধান বনা।

-XXXX-